# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 08-07-2024

**Time :** 19-10 Hrs.

## *Assamese Evening Bulletin*

::::::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাছিয়া আৰু অষ্ট্ৰিয়াৰ তিনিদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে আজি মস্কোত উপস্থিত হৈছে।

২। উচ্চতম ন্যায়ালয়ে কেন্দ্ৰ আৰু ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা এন টি এক, নীট ইউ জিৰ প্ৰশ্নকাকত ফাদিল বিষয় সন্দৰ্ভত প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছে।

৩। ঝাৰখণ্ড বিধানসভাত আস্থাৰ ভোটত জয়লাভ কৰাৰ পাছতে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেণে আজি তেওঁৰ মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কৰিছে।

৪। অসমৰ বান পৰিস্থিতি কিছু উন্নত হৈছে। *আৰু*

৫। চলিত বছৰত এতিয়ালৈকে ৩৭৮ লাখ হেক্টৰতকৈ অধিক কৃষিভূমি খাৰিফ শস্য ৰোপন কৰা হৈছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাছিয়া আৰু অষ্ট্ৰিয়াৰ তিনিদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে আজি মস্কোত উপস্থিত হৈছে। মস্কো বিমানবন্দৰত শ্ৰীমোদীক সম্ভাষণ জনোৱা হয়। দেশখনৰ প্ৰথমজন উপ প্ৰধানমন্ত্ৰী ডেনিছ মণ্টুৰোভে প্ৰধানমন্ত্ৰী মোদীক আদৰণি জনায়। ২২ সংখ্যক ভাৰত-ৰাছিয়া বাৰ্ষিক সন্মিলনৰ সময়ছোৱাত প্ৰধানমন্ত্ৰী আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমী পুটিনে দুয়োখন দেশৰ মাজৰ প্ৰতিৰক্ষা, বাণিজ্য, বিনিয়োগ, শক্তি সহযোগিতা, শিক্ষা, সংস্কৃতি, পৰ্যটন আৰু পৰস্পৰৰ মাজৰ বিনিময় আদি দ্বিপাক্ষিক বিষয়সমূহ সন্দৰ্ভত পৰ্যালোচনা চলাব। দুয়োগৰাকী নেতাই লগতে পাৰস্পৰিক স্বাৰ্থজড়িত সাম্প্ৰতিক আঞ্চলিক আৰু গোলকীয় বিকাশক লৈও মত বিনিময় কৰিব।

তদুপৰি তেওঁলোকে ব্ৰিকছ, চাংহাই সহযোগিতা সংস্থা, জি-২০, পূব এছিয়া সন্মিলন আৰু ৰাষ্ট্ৰসংঘৰ দৰে গ্ৰুপিং পৰ্যায়ত দ্বিপাক্ষিক সম্পৰ্কৰ সন্দৰ্ভতো আলোকপাত কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাছিয়াৰ ৰাষ্ট্ৰপতিয়ে আয়োজন কৰা নৈশভোজত ভাগ লব। শ্ৰীমোদীয়ে কাইলৈ ৰাছিয়াত ভাৰতীয় সমূদায়ৰ লোকসকলৰ সৈতে মত-বিনিময় কৰিব। তেওঁ লগতে ক্ৰেমলিনত পৰিচয় বিহীন সৈনিকসকলৰ সমাধিত মাল্যাৰ্পন কৰিব আৰু মস্কোত ৰোছাটন পেভিলিয়ন দৰ্শন কৰিব। তাৰ পাছতে উভয় নেতাৰ মাজত আলোচনা অনুষ্ঠিত হোৱাৰ লগতে প্ৰতিনিধি পৰ্যায়ৰ আলোচনাও হব।

ভাৰত আৰু ৰাছিয়াৰ মাজত সহযোগিতাৰ ক্ষেত্ৰত এই সন্মিলন  দুয়োখন দেশৰ বাবে অতি গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে।  এই ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত শ্ৰীমোদী অষ্ট্ৰিয়ালৈ যাব। অষ্ট্ৰিয়াৰ চেনচেলৰ আমন্ত্ৰণমৰ্মে শ্ৰীমোদী দেশখনলৈ যাব।  এয়া হ'ব বিগত ৪১ বছৰত কোনো এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম অষ্ট্ৰিয়া ভ্ৰমণ।

অষ্ট্ৰিয়া ভ্ৰমণৰ সময়ছোৱাত শ্ৰীমোদীয়ে দেশখনৰ ৰাষ্ট্ৰপতি আলেকজেণ্ডাৰ ভেন ডাৰ বেলেনক সাক্ষাৎ কৰাৰ লগতে ভিয়েনাত অষ্ট্ৰিয়াৰ চেঞ্চেলৰ কাৰ্ল নেহাম্মেৰৰ সৈতেও আলোচনাত মিলিত হ'ব। শ্ৰীমোদী আৰু অষ্ট্ৰিয়াৰ চেঞ্চেলৰগৰাকীয়ে দুয়োখন দেশৰ ঔদ্যোগিক নেতাসকলকো সম্বোধন কৰিব। উল্লেখযোগ্য যে অষ্ট্ৰিয়া এখন গুৰুত্বপূৰ্ণ মধ্য ইউৰোপীয় দেশ, য'ত আন্তগাঠনিৰ ক্ষেত্ৰত দ্বিপাক্ষিক সহযোগিতা, নৱীকৰণযোগ্য শক্তি, উচ্চ প্ৰযুক্তি, ষ্টাৰ্ট আপ খণ্ডত যথেষ্ট সুযোগ আছে।

০০০০

উচ্চতম ন্যায়ালয়ে কেন্দ্ৰ আৰু ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা এন টি এক, নীট ইউ জিৰ প্ৰশ্নকাকত ফাদিল বিষয় সন্দৰ্ভত প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছে। সৰ্বোচ্চ ন্যায়ালয়ে কেন্দ্ৰীয় অনুসন্ধান সংস্থা চিবিআইকো এই গোচৰৰ অনুসন্ধানৰ অগ্ৰগতিৰ প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছে। ন্যায়ালয়ে এন টি এ, কেন্দ্ৰ আৰু চিবিআইক বুধবাৰৰ বিয়লি ৫ বজাৰ পূৰ্বে প্ৰতিবেদন দাখিল কৰাৰ নিৰ্দেশ দিছে। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়, ন্যায়াধীশ জে বি পাৰ্দিৱালা, ন্যায়াধীশ মনোজ মিশ্ৰৰ বিচাৰপীঠে নীট ইউ জি পৰীক্ষাৰ শুনানি গ্ৰহণ কৰিছিল য'ত এই পৰীক্ষাত হোৱা অনিয়মৰ বিষয়টো উত্থাপন কৰা হৈছিল আৰু পৰীক্ষা নতুনকৈ অনুষ্ঠিত কৰাৰ সপক্ষে ৰায় দিয়াৰ বাবে আবেদন জনোৱা হৈছিল। মুখ্য ন্যায়াধীশে কয় যে এইবাৰ নতুনকৈ পৰীক্ষা অনুষ্ঠিত কৰাৰ পূৰ্বে প্ৰশ্ন কাকত ফাদিল ক'ৰ পৰা হৈছিল সেয়া জনাটো অত্যন্ত জৰুৰী। এই সন্দৰ্ভত অহা বৃহস্পতিবাৰে পৰৱৰ্তী শুনানি অনুষ্ঠিত হ'ব।

০০০০

ঝাৰখণ্ড বিধানসভাত আস্থাৰ ভোটত জয়লাভ কৰাৰ পাছতে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেণে আজি তেওঁৰ মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ  কৰিছে। প্ৰাক্তন মুখ্যমন্ত্ৰী চম্পাই চোৰেণক এই মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰা হৈছে। ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণে ৰাজভৱনত পদ আৰু গোপনীয়তাৰ শপত বাক্য পাঠ কৰোৱায়। কেবিনেট মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰা ১১ জন বিধায়কৰ ৬ জন ঝাৰখণ্ড মুক্তিমৰ্চাই, ৪ জন কংগ্ৰেছৰ আৰু এজন আৰ জে দিৰ। জে এম এমৰ চম্পাই চোৰেণ বৈদ্যনাথ ৰাম, দিপক বিৰুৱা, মিথিলেশ কুমাৰ ঠাকুৰ, হাফিজুল হাছান আৰু বেবি দেৱীয়ে শপত গ্ৰহণ কৰাৰ লগতে কংগ্ৰেছৰ ৰামেশ্বৰ ওৰাও, বান্না গুপ্তা, ইৰফান আনচাৰি আৰু দিপিকা পাণ্ডে সিঙে শপত লয়। আৰ জে দিৰ সত্যানন্দ ভোটকাইও পদ আৰু গোপনীয়তাৰ শপত বাক্য পাঠ কৰে। হেমন্ত চোৰেণৰ মন্ত্ৰীসভাত কিছু সাল সলনি কৰা হৈছে। জে এম এমৰ বসন্ত চোৰেণ আৰু কংগ্ৰেছৰ বাদল পত্ৰলেখক মন্ত্ৰীসভাৰ পৰা বাদ দিয়া হৈছে।

০০০০

অসমৰ বান পৰিস্থিতি কিছু উন্নত হৈছে। অৱশ্যে ২৮ খন জিলাৰ প্ৰায় ২২ লাখ লোক  এতিয়াও বানৰ কবলত আছে। বানত বিগত ২৪ ঘণ্টাত ৮ জন লোকে প্ৰাণ হেৰুওৱাৰ ফলত ৰাজ্যখনত শেহতীয়া বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৬৬ লৈ বৃদ্ধি পাইছে। ৰাজ্যখনৰ ৯৭টা ৰাজহ চক্ৰৰ ৩ হাজাৰ ৪০০ খনৰো অধিক গাঁও বানত প্লাৱিত হৈছে

আৰু ৬৮ হাজাৰ হেক্টৰৰো অধিক কৃষিভূমি প্লাৱিত হৈছে। বিগত ২৪ ঘণ্টাত এন ডি আৰ এফ, এছ ডি আৰ এফ আৰু অন্যান্য উদ্ধাৰকাৰী বাহিনীয়ে বিভিন্ন প্ৰান্তৰ ২১৮ জন লোকক উদ্ধাৰ কৰিছে। প্ৰশাসনে স্থাপন কৰা ২৬৯টা আশ্ৰয় শিবিৰত ৫৩ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে।

অসম চৰকাৰে বানৰ সময়ছোৱাত ক্ষতিগ্ৰস্ত জনসাধাৰণক সহায় কৰাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে নিয়মিতভাৱে স্বাস্থ্য শিবিৰ মুকলি কৰি প্ৰয়োজনীয় ঔষধ আৰু অন্যান্য সামগ্ৰী প্ৰদান কৰি আছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

বানৰ সময়ছোৱাত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণী সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি মুখ্যমন্ত্ৰীৰ নিৰ্দেশমৰ্মে ৭১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে চলাচল কৰা উজনি আৰু নামনি অভিমুখী যান-বাহনসমূহক আৰক্ষী আৰু বন বিভাগৰ বাহনৰ জৰিয়তে এছক'ৰ্ট প্ৰদান কৰি চলাচল কৰোৱাৰ ব্যৱস্থা কৰা হৈছে। ৰাষ্ট্ৰীয় উদ্যানখনত চোৰাং চিকাৰ ৰোধ কৰাৰ বাবে প্ৰথমবাৰলৈ থাৰ্মেল ড্ৰোণৰ ব্যৱহাৰ কৰা হৈছে। বানৰ সময়ত বন্য জন্তুৰ সুৰক্ষাৰ বাবে উদ্যান কৰ্তৃপক্ষই তথ্য প্ৰযুক্তি ব্যৱহাৰ কৰি এই পদক্ষেপ লৈছে।

০০০০

চলিত বছৰত এতিয়ালৈকে ৩৭৮ লাখ হেক্টৰতকৈ অধিক কৃষিভূমি খাৰিফ শস্য ৰোপন কৰা হৈছে। যোৱা বছৰৰ একে সময়তে ৩৩১ লাখ হেক্টৰ কৃষিভূমিত এই শস্য ৰোপন কৰা হৈছিল। যোৱা বছৰৰ তুলনাত এই শস্য ৰোপণৰ হাৰ ১৪ শতাংশতকৈ অধিক বৃদ্ধি পাইছে। কৃষি মন্ত্ৰালয়ে জাৰি কৰা শস্যৰ ৰোপণ তথ্য অনুসৰি প্ৰায় ৬০ লাখ হেক্টৰ কৃষিভূমিত ধান ৰোপণ কৰা হৈছে যিটো যোৱা বছৰতকৈ ৯ লাখ হেক্টৰতকৈও অধিক কৃষিভূমিত এইবাৰ ধান ৰোপণ কৰা হৈছে। মন্ত্ৰালয়ে জনোৱা মতে, ৩১ লাখ হেক্টৰ কৃষিভূমিত মাহজাতীয় শস্য ৰোপণ কৰা হৈছে। যোৱা বছৰতকৈ এইবাৰ ১৩ লাখ হেক্টৰতকৈ অধিক কৃষিভূমিত মাহজাতীয় শস্যৰ খেতি কৰা হৈছে।

০০০০

আকাশবাণী বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাৱলিক স্পীকত আজি নিশা চাৰে ন বজাত **ৰাষ্ট্ৰীয় ডায়েৰীয়া প্ৰতিৰোধী অভিযান ২০২৪** সন্দৰ্ভত নতুন দিল্লীৰ সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ Gastroenterology বিভাগৰ অধ্যাপক ডাঃ গোৱিন্দ কে মাখাৰিয়া আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰ্যালয়ৰ শিশু স্বাস্থ্য তথা ৰাষ্ট্ৰীয় শিশু স্বাস্থ্য কাৰ্যসূচীৰ তত্বাৱধায়ক আৰু উপ-আয়ুক্ত ডাঃ চোভনা গুপ্তাৰ সৈতে হোৱা এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি **ডায়েৰিয়া প্ৰতিৰোধ, অনাময় তথা বিশুদ্ধ খোৱাপানীকে ধৰি ডায়েৰিয়া** সম্পৰ্কে তেওঁলোকক প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ.এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহত এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে আমাৰ ৱেবছাইট newson air.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই শুনিবলৈ পাব।

০০০০

অমৰনাথ যাত্ৰাৰ যাত্ৰীসকলে যাতে নিৰৱচিন্নভাৱে মোবাইল সেৱা লাভ কৰিব পাৰে সেয়া সুনিশ্চিত কৰাৰ বাবে চৰকাৰে দূৰসংযোগ বিভাগৰ সংস্কাৰ সাধনৰ কথা ঘোষণা কৰিছে। দূৰ সংযোগ বিভাগে মুখ্য দূৰসংযোগ সেৱা

প্ৰদানকাৰী সংস্থা, এয়াৰটেল, বি এছ্ এন এল আৰু ৰিলায়েন্স জিঅ' সৈতে অংশীদাৰিত্বৰ সহায়েৰে সংস্কাৰ সাধনৰ ব্যৱস্থা কৰিছে। নিৰৱচ্ছিন্ন যোগাযোগ নিশ্চিত কৰাৰ বাবে এয়াৰটেল, বি এছ্ এন এল আৰু জিঅ' কোম্পানীয়ে ৩১ টাকৈ স্থানকে ধৰি মুঠ ৮২ টা স্থান সাজু কৰিছে। লগতে যাত্ৰীসকলৰ সুবিধাৰ বাবে দূৰসংযোগ বিভাগে ভিন্ন ঠাইত চিম কাৰ্ড বিতৰণৰো ব্যৱস্থা কৰিছে।

০০০০

সমাপ্ত